# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত শ্ৰীভূমি জিলাৰ ৰামকৃষ্ণ নগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত হিতাধিকাৰীসকলক বীজ মূলধনৰ চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিজৰ বক্তব্যত কয়, যে তৃণমূল স্তৰৰ মহিলা উদ্যমীসকলৰ সৱলীকৰণ আৰু ৰাজ্যৰ বিকাশৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰে এই অভিনৱ উদ্যোগ গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, যে এই পৰিকল্পনাৰ জৰিয়তে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ প্ৰায় ৩২ লাখতকৈও অধিক মহিলা উদ্যোগীয়ে আৰ্থিক সাহায্য লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে, এই মহিলাসকলে কৃষি, পশুপালন, হস্ততাঁত আৰু বস্ত্ৰশিল্প আদি বিভিন্ন ক্ষেত্ৰত উদ্যোগ স্থাপন কৰি গ্ৰামীণ অৰ্থনীতি শক্তিশালী কৰি তুলিব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ৰামকৃষ্ণ নগৰ বিধানসভা সমষ্টিৰ মুঠ ১৮ হাজাৰ ৭৪৫ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়।

০০০০০

শিলচৰৰ পুলিচ পেৰেডগ্ৰাউণ্ডত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শিলচৰ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ১৩ হাজাৰ ১৩৯ গৰাকী মহিলাক চেক বিতৰণ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে শিলচৰ মেডিকেল কলেজ হাস্পতাল পৰিদৰ্শন কৰি প্ৰস্তাৱিত ২০৮ খন বিচনাযুক্ত ছুপাৰ স্পেছিয়েলিটি চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰে। প্ৰায় ২৪০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই অত্যাধুনিক চিকিৎসা কেন্দ্ৰটোৱে বৰাক উপত্যকাৰ স্বাস্থ্য সেৱাৰ মান যথেষ্ট উন্নীত কৰাৰ লগতে উজনি অসম আৰু চুবুৰীয়া ৰাজ্যৰ ৰোগীসকলৰ বাবে বিশেষ চিকিৎসা সেৱা নিশ্চিত কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলাসকলক সম্বোধন কৰি কয় যে ৰাজ্যৰ ৪০ লাখ মহিলাক লাখপতি বাইদেউ কৰাৰ বাবে চৰকাৰে কাম কৰি আছে। বৰ্তমান যিসকলে ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰি আছে আৰু ইয়াক সঠিকভাৱে ব্যৱহাৰ কৰিলে তেওঁলোকৰ সাহায্য ভৱিষ্যতে ২৫ হাজাৰ টকাৰ পৰা ৫০ হাজাৰ টকালৈ বৃদ্ধি কৰা হব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ইপিনে শিলচৰৰ ৩ হাজাৰ নতুন হিতাধিকাৰীক অৰুণোদয় আচনিৰ অধীনত অনা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। মহিলা সৱলীকৰণ সন্দৰ্ভত তেওঁ কয় যে যদি পুৰুষে এজনতকৈ অধিক মহিলাৰ সৈতে বিবাহত আৱদ্ধ হয় তেন্তে তেনে ব্যক্তিক ৭ বছৰৰ কাৰাদণ্ড দিয়া হ'ব। অহা বছৰ এই সন্দৰ্ভত এখন বিধেয়ক বিধানসভাত অনা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ৰাজ্যত মহিলা সংক্ৰান্তীয় অপৰাধ ডেৰ লাখৰ পৰা ৪০ হাজাৰলৈ হ্ৰাস পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মহিলা সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে লাভ কৰা এয়া এক অন্য সফলতা। মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কেইবাটাও উন্নয়নমূলক আঁচনিৰ কথা উল্লেখ কৰি কয় যে মথুৰাঘাট বৰাক নদীৰ ওপৰত এশ কোটি টকা ব্যয় সাপেক্ষ এখন নতুন দলং নিৰ্মাণ কৰা হ'ব। ডিচেম্বৰৰ ভিতৰত ৬৫০ কোটি টকা ব্যয়েৰে এখন উৰণ সেতু নিৰ্মাণৰ কাম আৰম্ভ হ'ব যাতে যান-জট নিয়ন্ত্ৰণ কৰিব পৰা যায়। ইয়াৰোপৰি দিল্লী, কোলকাতা আৰু চেন্নাইত বৰাক ভৱন নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। য'ত ৰাজ্যৰ ৰোগীয়ে চিকিৎসাৰ সময়ত তাত থাকিব পাৰিব।

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ শোণাপুৰৰ কমাৰকুছিৰ সমাধিস্থলীক লৈ জাৰি কৰা নিৰ্দেশনা আজিৰে পৰা প্ৰযোজ্য হৈছে। ডিমৰীয়া সম-জিলাৰ আয়ুক্ত বিশ্বজিৎ শইকীয়াই এই সন্দৰ্ভত কয়, যে জুবিন গাৰ্গৰ সমাধিস্থলীৰ পৱিত্ৰতা আৰু শৃংখলা বৰ্তাই ৰখাটো অত্যন্ত জৰুৰী। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ নিৰ্দেশ অনুসৰি পুৱা ছয় বজাৰ পৰা নিশা ১০ বজালৈহে দৰ্শনাৰ্থীয়ে সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। সেই অনুসৰি আজি নিশা ১০ বজাৰ পাছত সমাধিস্থলীৰ প্ৰৱেশদ্বাৰ বন্ধ থাকিব বুলি ডিমৰীয়া সম-জিলাৰ আয়ুক্তগৰাকীয়ে কয়।

০০০০০

যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত যুটীয়া সচিব ইন্দ্ৰজিৎ কুমাৰ বৰুৱাৰ আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৭৬ বছৰ। যোৰহাটৰ বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত থকা প্ৰয়াত ইন্দ্ৰজিৎ বৰুৱাৰ নশ্বৰ দেহত যোৰহাট প্ৰেছ ক্লাবকে ধৰি বিভিন্ন অনুষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

০০০০০

সমাপ্ত